# ঈদ কেনেকৈ উদযাপন কৰিব !

পোনপ্ৰথমে এই হাদিছটো পঢ়ক

◆আল্লাহৰ নবী স্বাল্লাল্লাহু আলাইহি ৱাছাল্লাম এখন যুদ্ধৰ পৰা ঘুৰি আহি মদিনা শ্বৰীফত প্ৰৱেশ কৰাৰ সময়ত চাহাবা সকলক লক্ষ্য কৰি ক'লে: মদিনা শ্বৰীফত কিছু সংখ্যক লোক এনেকুৱা আছে যে তোমালোক য'ত য'ত গৈছা তেওঁলোকো তোমালোকৰ লগত আছিল। চাহাবা সকলে নিবেদন কৰিলে ইয়া ৰাছুলাল্লাহ! তেওঁলোক মদিনাত(ঘৰত)থকা সত্বেও আমাৰ লগত কেনেকৈ ? তেতিয়া নবী স্বাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে:

وهم بالمدينة حبسهم العذر

হয়! তেওঁলোক মদিনাতেই আছে কিন্তু তেওঁলোকক তেওঁলোকৰ আৱশ্যেকীয়তাই (ওজৰে)ধৰি ৰাখিছে। (بخاری،ج-۲،ص۶۳۷)

ইয়াৰ পৰা বুজা গ'ল যে অন্তৰত নিয়্যত যদি থাকে কিন্তু কোনো ওজৰ তথা আৱশ্যেকীয়তাৰ কাৰণে কৰিব নোৱাৰে তেন্তে উক্ত ইবাদতৰ চোৱাব পোৱা যায়। উপৰোক্ত হাদিছৰ পৰা স্পষ্ট ভাৱে বুজা যায় যে যদি কোনোৱে ইবাদত কৰাৰ নিয়্যত কৰিছে কিন্তু কোনো কাৰণবশতঃ কৰিব নোৱাৰিলে তেন্তে তেওঁ সেই ইবাদতৰ চোৱাব পাব।যেনেদৰে এজন ব্যক্তিয়ে নিশাৰ নামাজ পঢ়াৰ নিয়্যত কৰিছিল কিন্তু টোপনিৰ ফলত পঢ়িব নোৱাৰিলে। সেই ব্যক্তিৰ প্ৰতি আল্লাহৰ নবী স্বাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে:

يكتب له أجر صلاته وكان نومه صدقة عليه

সেই ব্যক্তিজনৰ প্ৰতি নামাজৰ চোৱাব লিখা হ'ব। আৰু তেওঁৰ টোপনি তাৰ প্ৰতি আল্লাহৰ ছদকা। (عمدة القاری،ج۱۴،ص۱۸۸)

বোখাৰিৰ বাখ্যাগ্ৰন্থ কিৰমানীত আছে: فيه دليل على ان المعذور له ثواب الفعل اذا ترکه العذر

উক্ত হাদিছ এই কথাৰ প্ৰতি প্ৰমাণ যে ওজৰ(চৰিঅত সন্মত প্ৰয়োজন)ৰ বাবে ইবাদত কৰিব নোৱাৰিলে উক্ত ইবাদতৰ চোৱাব পোৱা যায়। (حاشیہ بخاری)

◆ যোৱা বছৰৰ দৰে এই বছৰো ঈদৰ নামাজ সামূহিক ভাবে আদায়ৰ প্ৰতি প্ৰশাসনিক নিষেধাজ্ঞা জাৰি কৰা হৈছে। এই সম্পৰ্কত উলামা-এ-আহলে ছুন্নতৰ পৰা ঈদুল ফিতিৰ সম্পৰ্কে কিছু নিয়ম বান্ধি দিছে।

Scanned with CamScanner

# ঈদ সকলোৰে প্ৰতি ৱাজিবনে ? ২

◆ চৰকাৰে বান্ধি দিয়া গাইড লাইন অনুসৰি নিৰ্দিষ্ট সংখ্যক লোকে ঈদুল ফিতিৰৰ নামাজ মছজিদত বা ঈদগাহত আদায় কৰিব। আনহাতে যিদৰে ঘৰৰ চাদ,ৰাস্তা-ঘাট,চোতাল আদিত জুমআৰ নামাজ পঢ়িলে নহয় তদ্ৰূপ ঈদৰ নামাজো নহয়। কাৰণ জুমআ ফৰজ বা ঈদৰ নামাজ ৱাযিব হ'বলৈ আন কেইবাটাও চৰ্তৰ লগতে "ইজনে আমো"হ'ব লাগিব যাৰ বিষয়ে হানাফি মযহবৰ ঐক্যৰূপে গ্ৰহণযোগ্য গ্ৰন্থ "বাদাঈউ স্বানাঈঅ" ত আছে:

وان لم یاذن للعامة لایجوز

যদি "ইজনে আম" অৰ্থাৎ সকলো প্ৰকাৰৰ মানুহ প্ৰৱেশৰ অনুমতি থাকিব লাগিব যদি নাথাকে তেন্তে নামাজৰ অনুমতি নহ'ব।(জুমআ বা ঈদৰ নামাজ ৱাজিব হ'বলৈ "Full Free without any condition" সকলো মানুহ আহিব পৰাৰ অধিকাৰ থাকিব লাগিব)

(البدائع والصنائع ج۱، ص۲٦٩)

তদ্ৰূপ ইমাম আহমদ ৰাজা খান ৰাহমাতুল্লাহি আলাইহিয়ে তেওঁৰ বৃহৎ গ্ৰন্থ "ফতোৱা ৰেজৱীয়্যাহ"তো উল্লেখিত ৰূপে লিখিছে:

جمعہ کے لئے شہر کا یا فنائے شہر کے سوا نہ مسجد شرط ہے نہ بنا، مکان میں بھی ہو سکتا ہے میدان میں بھی ہو سکتا ہے اذن عام درکار ہے۔(فتاویٰ رضویہ ج ۸ ص ۴۴۴)

◆যিটো এখন ঘৰৰ বা নিৰ্দিষ্ট চাদৰ ক্ষেত্ৰত পোৱা নাযায়।

◆আনহাতে ঈদৰ নামাজ ওৱাযিব হ'বলৈ চৰ্তৰ মাজৰ পৰা এটা চৰ্ত হ'ল প্ৰশাসনৰ পৰা কোনোধৰণৰ বাধা নোহোৱা। বৰ্তমান সময়ত যিহেতু প্ৰশাসনে নিৰ্দিষ্ট সংখ্যক মানুহক ঈদুল ফিতিৰৰ নামাজ পঢ়াৰ অনুমতি দিছে সেয়েহে সকলোৰে প্ৰতি ঈদৰ নামাজ ৱাজিব নহ'ব। যিসকল লোকে ঈদুল ফিতিৰৰ নামাজ পঢ়িব নোৱাৰিব তেওঁলোকে চাৰি ৰাকাত চাস্তৰ নামাজ ঘৰতেই আদায় কৰিব।

◆আনহাতে ওপৰত ইতিমধ্যে হাদিছৰ পৰা প্ৰমাণ কৰা হৈছে যে যদি কোনোৱে চৰিয়ত সন্মত প্ৰয়োজনীয়তাৰ বাবে কোনো ইবাদতৰ নিয়্যত কৰাৰ পিছত কৰিব নোৱাৰে তেন্তে তেওঁ উক্ত ইবাদতৰ চোৱাব পাব।

◆এইবেলিও আমি ঈদৰ নামাজ যামাতৰ সৈতে পঢ়া পৰা বঞ্চিত থাকিম কিন্তু এয়া মাথোঁ শাৰীৰিক ভাৱেহে। আভ্যন্তৰীণ ভাৱে নিশ্চয় আমি ঈদগাহত থাকিম যথা আল্লাহে আমাক উক্ত নামাজৰ চোৱাব প্ৰদান কৰিব।

Scanned with CamScanner

# ঈদৰ পঢ়িব নোৱাৰাবোৰে কি কৰিব

◆এতিয়া নিৰ্দিষ্ট সংখ্যক লোকে ঈদৰ নামাজ পঢ়াৰ পিছত ঘৰতেই কিছু ইবাদত কৰিলে নিশ্চয় আৰু পছন্দনীয় হ'ব।

◆দুৰ্ৰে মোখতাৰ আৰু বাহাৰে শ্বৰীঅতত আছে যে ঈদৰ নামাজৰ পিছত ঘৰত চাৰি ৰাকাত নফল নামাজ পঢ়া মোস্তাহাব। হাদিছ শ্বৰীফতো এই নামাজৰ অতি ফজিলত আহিছে এতেকে ঈদৰ নামাজৰ পিছত ঘৰতে চাৰি ৰাকাত পৰিয়ালৰ লগত কোনো ইমাম থাকিলে যামাত কৰি,নহ'লে অকলশৰীয়াকৈ পঢ়া উচিত। অকলে পঢ়া পছন্দনীয়। চাৰি ৰাকাতৰ পৰিৱৰ্তে দুই ৰাকাতো পঢ়িব পাৰে।

◆আমাৰ নবী স্বাল্লাল্লাহু আলাইহি ৱাছাল্লামে ঈদৰ নামাজৰ পূৰ্বে(ঈদগাহত)কোনো নামাজ নপঢ়িছিল। ঘৰত উভতি অহাৰ পিছত দুই ৰাকাত পঢ়া কৰিছিল। (ছুনান ইবনে মাজা, ৰদ্দুল মোহতাৰ,বাবুল ঈদাইন) এনেদৰে এইবেলিও নবী স্বাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ এই ছুন্নতৰ ওপৰত আমোল কৰাৰ সুযোগ পোৱা গৈছে গতিকে পঢ়া উচিত। হয় ! ছালাম ফিৰোৱাৰ পিছত "আল্লাহু আকবাৰ,আল্লাহু আকবাৰ" ৩৪ বাৰ নিশ্চয় পঢ়িব। কাৰণ ইয়াৰ প্ৰতি গুৰুত্ব হাদিছতো আহিছে আনহাতে ঈদৰ নামাজৰ প্ৰতি ৰাকাতত তিনি তিনিবাৰকৈ আল্লাহু আকবাৰ কোৱাৰ আদেশো আহিছে।

◆মনত ৰাখিব চাৰি ৰাকাত চাস্তৰ নামাজ নিৰ্দিষ্ট লোক সকলে ঈদৰ নামাজ আদায়ৰ পিছত পুৰুষ মহিলা উভয়ে এই নামাজ পঢ়িব। আৰু এয়া ঈদৰ নামাজৰ বদল তথা সম নহয়। বৰং চোৱাবৰ আশাতহে পঢ়া হ'ব।

(فتاوی شامی-باب العیدین،مکتبۃ الشاملۃ،جوھرۃ النیرۃ،ج١،ص١٣٤-١٣٧)

# চাস্তৰ নামাজৰ সময়

◆সূৰ্যোদয়ৰ বিশ মিনিট পিছৰ পৰা দিপ্ৰহৰৰ আগলৈ থাকে কিন্তু ঈদৰ দিনা ঈদৰ নামাজৰ আগত পঢ়া নহ'ব এয়া মকৰূহ। (بہار شریعت،ج١-ص٧٨٢

# চাস্তৰ নামাজৰ নিয়্যত

◆নাৱাইতু আন উছাল্লিয়া লিল্লাহি তাআ'লা ৰাকআ'তাই স্বালাতিচ্চাস্তি নফলি মুতাৱাজ্জিহান ইলা জিহাতিল কাবাতিশ্বাৰীফাতি আল্লাহু আকবাৰ। মাতৃভাষাত এনেদৰে কৰিব: মই দুই ৰাকাত চাস্তৰ নফল নামাজ কাবা শ্বৰীফৰ পিনে মুখ কৰি পঢ়িবলৈ নিয়্যত কৰিলোঁ আল্লাহু আকবাৰ।

Scanned with CamScanner

# চাস্তৰ নামাজ কেনেকৈ পঢ়িব

◆ছুৰা ফাতিহা(আলহামদু)ৰ পিছত অইন নামাজৰ দৰে যিকোনো ছুৰা পঢ়িব পাৰে অথবা প্ৰথম ৰাকাতত আয়াতুল কুৰছি বা ছুৰা ইয়াছিনৰ এক ৰুকু আৰু দ্বিতীয় ৰাকাতত তিনিবাৰ কুলহুৱাল্লাহু পঢ়ক।

# চাস্তৰ নামাজৰ ফজিলত

◆চাস্তৰ নামাজ কমেও দুই ৰাকাত আৰু অতি বেছি বাৰ ৰাকাত পঢ়িব পাৰে আৰু এয়াই উত্তম যথা হাদিছ শ্বৰীফত আহিছে: যি ব্যক্তিয়ে বাৰ ৰাকাত চাস্তৰ নামাজ পঢ়ে আল্লাহ তাআ'লাই তাৰ বাবে জান্নাতত সোণৰ মহল তৈয়াৰ কৰে।

(جامع الترمذی،ابواب الوتر،باب ماجاء فی صلاۃ الضحی،ج۲،ص۱۷،حدیث-٤٧٢)

◆যি ব্যক্তিয়ে চাস্ত নামাজ দুই ৰাকাত আদায় কৰিলে তেওঁৰ গুনাহসমূহ আল্লাহপাকে মাফ ক্ষমা কৰিব। যদিও তেওঁ সাগৰৰ ফেন স্বৰূপ গুনাহ কৰিছে।

(إبن ماجه،باب ماجاء فی صلاۃ الضحی)

◆মহান আল্লাহৰ ওচৰত দোআ মাগিছোঁ যাতে অসম তথা সমগ্ৰ বিশ্বই এই মহামাৰীৰ পৰা মুক্তিলাভ কৰি স্বাভাৱিক জীৱন যাত্ৰাৰ পুনাৰম্ভণি কৰিব পাৰে।

◆সকলো ইছলাম প্ৰেমী লোকক বিনয়ী ভাৱে অনুৰোধ জনালোঁ যে ঈদ পালনৰ নামত যাতে কোনো ধৰণৰ চৰকাৰী নীতি-নিৰ্দেশনা উলংঘন নহয়।

اٰمِیْن بِجَاہِ النَّبِیِّ الْاَمِیْن صَلَّی اللّٰہ تعالٰی علیہ والہٖ وسَلَّم

PROVIDED BY INZAMULHOQUE696 GMAIL.COM . DEFINITELY FORWARD

واللہ اعلم بالصواب

ইঞ্জামুল হক,দৰং,অসম

إن ترد الأصل فإرجع إلى

+918638731917 Inzamul_78

Scanned with CamScanner